অধ্যায় ১

# যুগে যুগে অসম (এক আলোকপাত)
## প্ৰাক ইতিহাস যুগ- ৬৫০ (A.D.)

## ক) অৱতাৰণিকা

অসম-ভাৰতৰ পুব সীমাত অৱস্থিত ৰাজ্য আৰু বিভিন্ন সময়ত, ইয়াক বিভিন্ন নামেৰে জনা যায়। পুৰণি কালত 'প্ৰাগজ্যোতিষ' মধ্যযুগত 'কামৰূপ' আৰু আধুনিক যুগত ইয়াক 'অসম' নামে জনা যায়। 'প্ৰাগজ্যোতিষ' নামটো ৰামায়ণ, মহাভাৰত আৰু পুৰাণত পোৱা যায়। 'কামৰূপ' নামটো জানিব পৰা আটাইতকৈ পুৰণি বুৰঞ্জীমূলক প্ৰমাণ্য নথিসমূহ হ'ল— এলাহবাদ স্তম্ভ আৰু প্ৰথিতযশা গুপ্ত শাসনাধিষ্ঠ কালৰ 'চন্দ্ৰগুপ্তৰ শিলালিপি'। ৰাজনৈতিক জনসংখ্যা সম্পৰ্কীয় বা অন্যান্য কাৰণত অসমৰ সীমা কালক্ৰমত সম্প্ৰসাৰিত বা সংকোচন হৈ আহিছে।

ব্ৰহ্মপুত্ৰ নৈ, উত্তৰ-পূব সীমান্তৰ পৰা অসমত সোমাই পুবৰ পৰা পশ্চিমলৈ প্ৰায় ৮০৫ কিলোমিটাৰ দৈৰ্ঘ অতিক্ৰম কৰি বৈ গৈছে। অসমৰ উপত্যকা— ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা।

অসম, বহুত জাতি আৰু জনজাতিৰ বাসস্থলী। যি কি নহওঁক নিৰ্ভৰযোগ্য তথ্যৰ অভাৱৰ কাৰণে কোন প্ৰথমে ইয়ালৈ আহিছিল, সেইটো ঠাৱৰ কৰা টান অসমৰ আদিম বাসিন্দাসকলক গৱেষকসকলে চাৰিটা ভাগত বিভক্ত কৰিছে— (১) অষ্ট্ৰোএচিয়াটিক (২) নেগ্ৰীটজ (৩) দ্ৰাবিদিয়ান (৪) মঙ্গোলিয়ান আৰু আৰ্য।

অসমৰ এটা চকুত পৰা সাধাৰণ বৈশিষ্ট হ'ল— ইয়াৰ মানুহবিলাকৰ মাজত থকা সমন্বয়। প্ৰতিজনেই নিজৰ স্বকীয় বৈশিষ্ট ৰক্ষা কৰে যদিও বিনিময়ৰ যোগেদি অসমৰ মূল সাংস্কৃতিৰ এটা যোগসূত্ৰ হৈছে। প্ৰকৃততে অসমৰ সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ এক অবিচ্ছেদ্য অংঙ্গ।

### ক) শিলৰ সঁজুলি, হাড়, বাচন-বৰ্তন আৰু ইটা

আদি প্ৰস্তৰ যুগৰ কৃষ্টিৰ কিছুমান শিলৰ সঁজুলী গাৰো পাহাৰ, অৰুণাচল প্ৰদেশ আৰু মণিপুৰত পোৱা গৈছিল। নৱপ্ৰস্তৰ যুগৰ কৃষিৰ সঁজুলীবিলাক খনন কাৰ্য চলোৱাসকলে উত্তৰ কাছাৰ পাহাৰৰ দেউদালি হাদিং, কামৰূপ জিলাৰ সৰুতাৰো আৰু গাৰো পাহাৰৰ শিবালগিৰিৰ পৰা সংগ্ৰহ কৰিছে। এইবিলাকৰ ভিতৰত আছে শিলৰ সঁজুলী, শাল-শিল, পিহনা শিল আৰু হাড়ৰ টুকুৰা।

পাহাৰ বা ওখ ঠাইত থাকিবলৈ ভালপোৱা অসমৰ নৱপ্ৰস্তৰ যুগৰ মানুহবিলাকে জুমখেতি কৰে আৰু সম্ভৱতঃ তেওঁলোকে এতিয়াও ভৈয়ামৰ জেকা মাটিত খেতি কৰিবলৈ শিকা নাই। আদিপ্ৰস্তৰ যুগৰ পূৰ্বপুৰুষসকলৰ দৰে এতিয়াও তেওঁলোক অৰ্দ্ধ থিতাপি লোৱা



*ছবি ১.১*
*আদিপ্ৰস্তৰ যুগ (নিম্নপ্ৰস্তৰ যুগ)*
*শিলৰ সঁজুলি*

সম্ভৱতঃ নৱ প্ৰস্তৰ যুগৰ মানুহে হাড়ৰ সঁজুলি তৈয়াৰ কৰা নাছিল বা কৰিলেও সেইটো এতিয়ালৈকে উদঘাটন হোৱা নাই।

➲ নৱ প্ৰস্তৰ যুগৰ মানুহে কিয় ওখ ঠাইত বাস কৰিবলৈ ভাল পাইছিল, তাৰ কেইটামান কাৰণ ক'ব পাৰিবানে?

➲ কড়ি কি কাৰণে ব্যৱহাৰ কৰিছিল?

অৱস্থাতে আছে। সি যি কি নহওঁক বহুত পুৰণি প্ৰাস্তৰিভুত দ্ৰব্য বা জঁকা শৃঙ্খলাবদ্ধভাৱে আৱিস্কাৰৰ অভাৱত অসমৰ মানৱ ক্ৰমবিকাশৰ বুৰঞ্জী অধ্যয়ন কৰাটো জটিল।

ফাতিহা-ই-ইব্ৰিয়াৰ মতে ইটা তৈয়াৰ কৰাত অসম পিছপৰা নাছিল। কিছুমান শিলালিপি আৰু সাহিত্য বিষয়ক লিখনতো ইটাৰ ঘৰৰ বিষয়ে উল্লেখ আছে। ইটাৰ মন্দিৰ বা ইটাৰ বেৰৰ মন্দিৰো আৱিস্কৃত হৈছে। গুৱাহাটীৰ আমবাৰীত আৱিস্কাৰ হোৱা ২৬ মিটাৰ দীঘল আৰু ৪৫ চেণ্টিমিটাৰ বহল এখন ইটাৰ বেৰে ইটাৰ ব্যৱহাৰ প্ৰমাণিত কৰিছে। এইখন নিশ্চয় ১০-১১ শতিকাৰ হ'ব। পুৰণি অসমৰ ইটাৰ বেৰ কুণ্ডিলনগৰত (বৰ্তমান শদিয়াৰ ওচৰত) পোৱা গৈছে।

ইতিহাসৰ পৰৱৰ্তী কালছোৱাৰ উৎসবিলাকত সোণ, ৰূপ, লো আৰু হাড়ৰ অলংকাৰৰ বিষয়ে উল্লেখ আছে। সোণ যথেষ্ট পৰিমাণে পোৱা গৈছিল আৰু মুদ্ৰাৰ প্ৰচলনো পৰিলক্ষিত হয়। পুৰুষ-মহিলা উভয়েই অলংকাৰ পিন্ধিছিল। ধাতুৰে নিৰ্মিত অলংকাৰ আৰু মণিৰে গঁঠা মালা, গলপতা, ডুগডুগী, কেৰু, মণি,

ক্ষুদ্ৰ প্ৰস্তৰ গোষ্ঠীৰ মানুহে হাতেৰে তৈয়াৰ কৰা বাচন-বৰ্তন ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ শিলৰ আহিলা, যেনে— ক্ষুৰ, চাচনী, জোং, জোঙাল কাঁড় আদিয়ে নিৰ্ণয় কৰে যে তেওঁলোক চিকাৰী আৰু খাদ্য সংগ্ৰাহক আছিল।

থুৰিয়া, কুন্দল, মুঠিখাৰু, খাৰু, নুপুৰ, আঙুঠি, কাণফুলি, কঁকালপেটী আদি অলংকাৰসমূহ পৰিধান কৰিলে মতা মানুহতকৈ মাইকী মানুহ বেছি শুৱনী হয়। আনকি বহুমূলীয়া আৰু অৰ্ধদামী গহনাবিলাকৰো যথেষ্ট প্ৰয়োজন হৈছিল।





ছবি ১.২
*কিছুমান ভাস্কৰ্য আৰু মূৰ্তি*

## খ) পুৰণি ৰাজ্য আৰু অৰ্থনীতি

হাতপেশ্বৰ বা হাৰুপেশ্বৰ, শ্ৰীদুৰ্জয়া, কামৰূপ নগৰ, প্ৰাগজ্যোতিষপুৰ, আৰু শোণিতপুৰ অসমৰ পুৰণি নগৰ আছিল।

পুৰণি অসমত প্ৰাগজ্যোতিষ বা কামৰূপ আটাইতকৈ ডাঙৰ ৰাজ্য আছিল। সৰু সৰু ৰাজ্য, যেনে— ডবকা, কাদালী, হিড়িম্বা, ত্ৰিপুৰা, মণিপুৰ আদিও আছিল। যোগিনী তন্ত্ৰৰ মতে কামৰূপৰ অন্তৰ্ভুক্ত ঠাইসমূহ হ'ল— সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, ৰংপুৰ (বৰ্তমান বাংলাদেশ) কোচবিহাৰ, মৈমনসিং জিলাৰ একাংশ (বাংলাদেশ আৰু সম্ভৱতঃ গাৰো পাহাৰ। যোগিনী তন্ত্ৰত কামৰূপ ৰাজ্যৰ চাৰিটা মূল ভাগ থকাৰ কথা উল্লেখ আছে। সেইকেইটা হ'ল— ৰত্নপীঠ, কামপীঠ, সুৱৰ্ণপীঠ আৰু সৌমাৰপীঠ।

অন্য দুজন পৌৰাণিক ৰজা— ভীস্মক আৰু বাণ ৰজা একাদিক্ৰমে বিদৰ্ভ আৰু শোণিতপুৰৰ ৰজা আছিল। কোনো কোনো গৱেষকৰ মতে বৰ্তমানৰ শদিয়াৰ চৌদিশে আছিল বিদৰ্ভৰাজ্য আৰু ইয়াৰ ৰাজধানী কুণ্ডিল নগৰ। বাণ ৰজা শোণিতপুৰৰ ৰাজ্য আছিল সম্ভৱতঃ বৰ্তমানৰ তেজপুৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া ঠাইসমূহ। বৰ্মনৰ ৰাজত্ব বংগৰ একাংশও কামৰূপৰ অন্তৰ্গত আছিল।

DAILY ASSAM

এখন ৰাজ্য কিছুমান ভুক্তিত ভাগ কৰা হৈছিল আৰু সাধাৰণতে কিছুমান ৰাজকোঁৱৰৰ তত্ত্বাৱধানত দিয়া হৈছিল। ভুক্তিবিলাক আকৌ কিছুমান সৰু সৰু ভাগত, যেনে— মণ্ডল, পুৰ আৰু আগ্ৰহৰ হিচাপে ভাগ কৰা হৈছিল। স্থানীয় শাসনৰ কাৰণে এইবিলাকত 'পঞ্চায়ত' ব্যৱস্থা আছিল। প্ৰতিখন গাঁৱত গাঁওবুঢ়াও আছিল।

ছবি ১.৩
ৰোৱনী



### অৰ্থনৈতিক অৱস্থা

পুৰণি অসমৰ আৰ্থিক অৱস্থাৰ বিষয়ে তথ্য নিচেই কম। এই তথ্যসমূহৰ উৎস হ'ল— সাহিত্যিক বৰ্ণনা আৰু প্ৰাচীন লিপিসমূহ। কামৰূপ ৰাজ্যত শস্যৰ বিস্তৃত খেতি হৈছিল। ভাস্কৰ বৰ্মাৰ শাসন কালত অহা চীনা পৰিব্ৰাজক হিউৱেনচাঙে কামৰূপত জলসিঞ্চন প্ৰণালী থকা বুলি উল্লেখ কৰি গৈছে। পাহাৰীয়া মানুহে জুম পদ্ধতিৰে খেতি কৰিছিল। সমতলভূমিত খেতি যথেষ্ট ভাল হৈছিল। ধান মৰাপাট, কঁঠাল, আমলখি, ৰুদ্ৰাক্ষ আৰু কুঁহিয়াৰৰ বাহিৰে বিভিন্ন জাতৰ ফল-মূল আৰু শাক-পাচলি প্ৰচুৰ পৰিমাণে পোৱা গৈছিল।



ছবি ১.৪
মুগা বস্ত্ৰ

আংগামী নগাসকলে পোন প্ৰথমে উত্তৰ-পূব অঞ্চলত জলসিঞ্চন পদ্ধতিৰে খেতি কৰিছিল।



ছবি ১.৫
হাতীত উঠি ৰজাৰ ভ্ৰমণ

অসমৰ বাহিৰত মুগা, পাট, আৰু এড়ি কাপোৰৰ চাহিদা যথেষ্ট। সোণোৱালসকলে সোৱণশিৰি নৈৰ বালিৰ পৰা সোণ সংগ্ৰহ কৰিছিল। অসমৰ হাবি উচ্চমানৰ কাঠ আৰু বনাঞ্চলত উৎপাদিত হোৱা বিভিন্ন বনজাত সামগ্ৰীৰ কাৰণে বিখ্যাত আছিল।

পুৰণি কালত বিনিময় তথা বস্তু সলনা-সলনি কৰা ব্যৱস্থা আছিল। পিছত কড়ী, মুদ্ৰা আদিৰে মানুহে বেচা-কিনা কৰিছিল। বৰ্হি বাণিজ্য আৰু আভ্যন্তৰীণ বাণিজ্যৰ বাবে জলপথ আৰু স্থলপথ দুয়োটাই ব্যৱহাৰ কৰিছিল। ভূটান, তিব্বত, নেপাল, চীন, শ্ৰীলংকা, দক্ষিণ-পূব এছিয়া আদিৰ লগত বেহা-বেপাৰ চলাইছিল। ভাস্কৰ বৰ্মাই তাম্ৰলিপ্তি নামৰ বঙ্গৰ বন্দৰটো বেহা-বেপাৰৰ কাৰণ ব্যৱহাৰ কৰিছিল বুলি কোৱা হৈছে। প্ৰাচীন কামৰূপৰ ৰজাসকলে মগধ, গুজৰাট আৰু কাশ্মীৰৰ লগতো বেহা-বেপাৰৰ সম্বন্ধ ৰাখিছিল।

➲ অসমৰ বেপাৰীসকলে চীন আৰু দক্ষিণ-পশ্চিম এছিয়ালৈ কি পথেৰে অহা-যোৱা কৰিছিল?

বিশাল ব্ৰহ্মপুত্ৰৰ বালি (বিশেষকৈ ইয়াৰ উপনৈ সোৱণশিৰি)ত সোণ, ৰূপ, তাম আৰু লোৰ চেকুৰাৰ প্ৰাচুৰ্যতাৰ বিষয়ে লিপিসমূহ আৰু সাহিত্যৰ পৰা জনা যায়।

### গ) ৰজা, কৃষক আৰু নগৰ

ৰাজক্ষমতা বংশানুক্ৰমে লাভ কৰিব পাৰিছিল। কিন্তু কেতিয়াবা অস্বাভাৱিক পৰিস্থিতিৰ পৰা ৰক্ষা পাবৰ নিমিত্তে ৰজাক বাচনি কৰা হৈছিল। ৰজাই মাটি কৰ, আয়কৰ আৰু বেচা-কিনা (বাণিজ্য)ৰ ওপৰত দিবলগীয়া মাচুলৰ পৰা খাজনা সংগ্ৰহ কৰিছিল।

ব্ৰাহ্মণসকলক দান কৰা 'ব্ৰহ্মোত্তৰ' মাটি আৰু মন্দিৰৰ বাবে দান কৰা 'ধৰ্মোত্তৰ' মাটিৰ ওপৰত কোনো কৰ বহুওৱা হোৱা নাছিল। কেতিয়াবা এখন সম্পূৰ্ণ গাঁও ব্ৰাহ্মণক দান দিছিল আৰু ইয়াক 'অগ্ৰহাৰ' বুলি জনা গৈছিল। অগ্ৰহাৰবিলাকো খাজনামুক্ত আছিল।

ৰজাই শিক্ষা, কলা আৰু স্থাপত্য শিল্পৰ পৃষ্ঠপোষকতা কৰিছিল। বিভিন্ন অট্টালিকা আৰু মন্দিৰৰ ধ্বংসাৱশেষ, অন্যান্য কীৰ্তিচিহ্ন, চিত্ৰ-কলা আৰু সাহিত্যৰাজিয়ে ৰাজকীয় পৃষ্ঠপোষকতাৰ প্ৰমাণ দিয়ে।

মহীৰঙ্গ দানৱ প্ৰাগজ্যোতিষপুৰৰ প্ৰথম ৰজা বুলি অনুমান কৰা হয়। প্ৰাচীন আৰু কিম্বদন্তীয় ৰজাসকল যেনে— নৰক, ভগদত্ত, ব্ৰজদত্ত, ভীস্মক, বাণ ৰজাৰ বিষয়ে বিভিন্ন লিপিসমূহ আৰু প্ৰাচীন সাহিত্যত সঘনে উল্লেখ পোৱা যায়। ঐতিহাসিক যুগৰ প্ৰাচীন কামৰূপত বহুতো ৰজাই ৰাজত্ব কৰিছিল। সেইসকলৰ ভিতৰত ভাস্কৰ বৰ্মন এজন বিখ্যাত ৰজা আছিল আৰু এওঁ ৫৯৪-৬৫০ খ্ৰীষ্টাব্দৰ কালছোৱাত কামৰূপত ৰাজত্ব কৰিছিল। বিখ্যাত চীনা পৰিব্ৰাজক হিউৱেনচাঙে ভাস্কৰ বৰ্মনৰ ৰাজ্যলৈ আহি এইজন প্ৰতাপী ৰজাৰ বিষয়ে উচ্চ প্ৰশংসা কৰি গৈছে।

পুৰণি অসমৰ ৰজাসকলে স্বৰ্গৰ পৰা অহা বুলি দাবী কৰিছিল। ক্ষমতাশালী ৰজাসকলে যুদ্ধত জয়ী হোৱাৰ পিছত অশ্বমেধ যজ্ঞ পালন কৰে। ৰজা দেশৰ শাসন, বিচাৰ ইত্যাদি সকলো বিষয়েৰে সৰ্বময় হৰ্তাকৰ্তা আছিল। ৰজাই ঘোষণা কৰা 'শাসন' সকলো প্ৰজাৰ বাবে 'বৈধ' আছিল। তেওঁ এক বৃহৎ 'সৈন্য বাহিনী, গুপ্তচৰ আৰু পহৰাদাৰ ৰাখিছিল। এইসকলে ৰাজ্যক আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষা দিছিল। মন্ত্ৰী-পৰিষদ বা মন্ত্ৰীসভাই ৰজাক শাসন কাৰ্যত সহায় কৰিছিল... উপদেষ্টা বা ৰাজকীয় পুৰোহিত আৰু বিখ্যাত অভিজাত লোকসকলৰ লগতো যেতিয়াই প্ৰয়োজন হয় তেতিয়াই ৰজাই আলোচনা কৰিছিল।

➲ ৰাজ্যৰ আভ্যন্তৰীণ ব্যৱস্থাত এজন একনায়কত্ববাদী ৰজাৰ ক্ষমতা কোনে পৰীক্ষা কৰিব পাৰিছিল?

### কৃষক আৰু নগৰ ঃ

মনুৱে বৰ্ণনা কৰিছিল— পুৰণি কালত 'এটুকুৰা মাটিত যিজনে প্ৰথম হাবি-বন আঁতৰাই তেৱেঁই সেই পথাৰৰ মালিক হয়।' সি যি কি নহওঁক, গাঁও অঞ্চলৰ

মাটিৰ স্বত্বাধিকাৰ আৰু কৰ্তৃত্ব ৰজাৰ মানুহৰ হাতত ন্যস্ত আছিল। জনজাতীয় অঞ্চলৰ মাটি সাধাৰণতে এটা সম্প্ৰদায়ৰ হাতত গতাই দিছিল আৰু সেই মাটি সৰু সৰু অংশত বিভক্ত কৰি বেলেগ বেলেগ পৰিয়ালৰ মাজত মালিকীস্বত্বত ভাগ কৰি দিয়া হৈছিল।

পূৰ্বৰে পৰা চলি অহা ৰীতি অনুযায়ী বেছিভাগ কৃষকেই গাঁৱত বাস কৰে। নগৰবিলাকৰ বিভিন্ন পৰিৱৰ্তনমুখী জীৱনশৈলী ৰক্ষণশীল কৃষকসকলৰ লগত একেবাৰে নিমিলা কাৰণে কৃষকসকল নগৰলৈ যাবলৈ অনিচ্ছুক হৈ পৰে। সেইবাবে এইটো ধৰি লোৱা হয় যে সকলো প্ৰকাৰৰ খেতিয়কেই, যেনে, ভূমিহীন খেতিয়ক, ক্ষুদ্ৰ খেতিয়ক আৰু কৃষি বনুৱাসকলে নিজকে গাঁৱতেই আৱদ্ধ কৰি ৰাখে।

খেতিৰ প্ৰণালী সম্বন্ধে কোনো স্পষ্ট তথ্য পোৱা নাযায়। নাৰদৰ মতে— গ্ৰাম্যঞ্চলত কৃষকসকলে গুৰুত্ব অনুসাৰে দ্বিতীয় স্থান দখল কৰে। কৃষি কৰ্মৰ বাবে নিয়োজিত বনুৱাসকলে খেতিৰ দহভাগৰ এভাগ বা তিনি বা পাঁচ ভাগৰ এভাগ শষ্য বেলেগ বেলেগ হাৰত মজুৰী হিচাপে লাভ কৰিছিল।

মহিলা কৃষি শ্ৰমিকতকৈ পুৰুষ কৃষি শ্ৰমিকৰ সংখ্যা বেছি দেখা যায়। ৰঘুবংশত উল্লেখ আছে যে কামৰূপত খেতিয়কৰ পত্নীসকলে তেওঁলোকৰ খেতিৰ কাম চোৱাচিতা কৰিছিল। গাঁও অঞ্চলত জাতি-ভেদ প্ৰথা প্ৰচলিত আছিল যদিও কঠোৰ নাছিল।

প্ৰকৃততে অস্পৃশ্যতা নথকাটোৱেই অসমত জাতিভেদ প্ৰণালীৰ শিথিলতাৰ প্ৰমাণ দিয়ে। নিম্ন কৃষি বনুৱাক ভালেমান কৰ্মভিত্তিক ভাগত ভাগ কৰা হৈছিল। যেনে— বুৰৈসকল, বৰিয়া, হালোৱা, কৈৱৰ্ত ইত্যাদি।

ধানেই প্ৰধান শস্য আৰু শালি, বাও আৰু আহু এই তিনিবিধ ধান খেতি কৰিছিল। অতিমাত্ৰা বৰষুণ আৰু সঘনে হোৱা বানপানীৰ বাবে খেতিয়কসকলে ৰবিশস্যৰ খেতি বেছিকৈ কৰিবলৈ ভাল নাপাইছিল। খেতি নকৰা সময়খিনি তেওঁলোকে সূঁতা কটা, কাপোৰ বোৱা, মৌ পালন, বাঁহ-বেতৰ কাম আৰু কাঠৰ শিল্পমূলক কাম কৰি অতিৰিক্ত উপাৰ্জন কৰিছিল।

সকলো কৃষকে সাধাৰণ পোছাক পৰিধান কৰিছিল। স্বভাৱত তেওঁলোক ধৰ্মীয় ভাবাপন্ন আছিল আৰু গান, নাচ, খেল-ধেমালি, বিভিন্ন উৎসৱ-পাৰ্বণ ইত্যাদি উপভোগ কৰিছিল।

## ঘ) সাংস্কৃতিক উন্নতিবিকাশ

প্ৰাচীন অসমৰ নগৰসমূহ সাধাৰণতে নদীৰ পাৰত অৱস্থিত আছিল, কাৰণ এই ঠাইবিলাকত কেতিয়াও পানীৰ অভাৱ নহৈছিল আৰু যোগাযোগৰ বাবে বৰ সুবিধাজনক আছিল। এই নগৰবিলাক দ্বাৰ, চকীঘৰ (পহৰা দিয়া ঘৰ) ওখ দেৱাল (বেৰা) আৰু মাটিৰ গুণানুসৰি নিৰ্মাণ কৰা বিভিন্ন ধৰণৰ দুৰ্গবিলাকৰ দ্বাৰা সুৰক্ষিত কৰা হৈছিল। নগৰবিলাক ওখ আৰু ধুনীয়া অট্টালিকাৰে ভৰপূৰ আছিল। গোটেই অসমতে এনে বহুতো ধুনীয়া ধুনীয়া অট্টালিকা সিঁচৰতি হৈ আছে। শদিয়া আৰু ডিমাপুৰত থকা ভগ্নাৱশেষ আৰু কামাখ্যা মন্দিৰ আদি অসমৰ কেইখনমান উল্লেখনীয় স্থান। এই স্থানসমূহে এতিয়াও সকলো বয়সৰ, সকলো শ্ৰেণীৰ মানুহক আকৰ্ষণ কৰে। তেজপুৰৰ দহ পৰ্বতীয়া আৰু বামুণী পাহাৰৰ শিলত কটা দুৱাৰৰ চৌকাঠ, মন্দিৰৰ ভগ্নাৱশেষ, বিভিন্ন দেৱ-দেৱীৰ


➲ কি পৰিস্থিতিত এজন ৰজাক বাচনি কৰা হৈছিল? কাৰণ ক'ব পাৰিবানে?


DAILY ASSAM

যদি এজন মজুৰী খোৱা শ্ৰমিকে তেওঁৰ কৰ্তব্যত অৱহেলা কৰে, ৰজাই তেওঁ পাবলগীয়া মজুৰীৰ দুগুণ আকাৰত জৰিমনা কৰি ক্ষতিপূৰণ হিচাপে মাটিৰ মালিকক দিবলৈ তেওঁৰ নিৰ্দেশ জাৰী কৰিব পাৰে।

পুৱাৰ পৰা গধূলিলৈকে কৃষকসকলৰ দৈনন্দিন কামৰ তালিকা এখন প্ৰস্তুত কৰা।

ছবি ১.৬
দহ পৰ্বতীয়া মন্দিৰৰ দুৱাৰ





ছবি ১.৭
কামাখ্যা মন্দিৰ

শিলত কটা বাচকবনীয়া মূৰ্তি পুৰণি অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন হিচাপে পৰিগণিত হৈছে আৰু ইয়াৰ গৌৰৱ বঢ়াইছে।

আন মন্দিৰবিলাকৰ ভিতৰত শিৱ আৰু বিষ্ণুৰ মন্দিৰ অধিক দেখা যায়। এই মন্দিৰবিলাক স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰ অপূৰ্ব নিদৰ্শন। দ-পৰ্বতীয়াৰ ওচৰত বিষ্ণু, ভৈৰৱ, হৰ-গৌৰীৰ অলেখ মূৰ্তি পোৱা গৈছে। তেজপুৰৰ ওচৰৰ বামুণী পাহাৰ এটা অন্যতম আকৰ্ষণীয় স্থান।

প্ৰাচীন অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ এক উল্লেখযোগ্য নিদৰ্শন হ'ল গোৱালপাৰাৰ সূৰ্যপাহাৰ। যোগীঘোপা, ডেকধোৱা, মৰনৈ, পঞ্চৰত্ন আদিত পোৱা বহুতো মন্দিৰ আৰু দেৱ-দেৱীৰ মূৰ্তি আহোম যুগৰ পূৰ্বৰ বুলি ধাৰণা কৰা হৈছে।

DAILY ASSAM



ছবি ১.৮
মদন কামদেৱ

নৱম বা দশম শতিকাৰ বুলি অনুমান কৰা কিছুমান মন্দিৰৰ ভগ্নাৱশেষ শিৱসাগৰত পোৱা গৈছে। মালিনীথান, হাজো নগাঁও, ক্ৰাচমাৰী, দেউপানী আৰু শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ ইত্যাদিৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ প্ৰাচীন ভাস্কৰ্যৰ সুন্দৰ নমুনা আৰু আকৰ্ষণীয়। গুৱাহাটীৰ আমবাৰীত বহুতো প্ৰাচীন ভাস্কৰ্য আৰু স্থাপত্যৰ নিদৰ্শন আৱিস্কৃত হৈছে। আমবাৰীৰ ভগ্নাৱশেষবিলাকত গুপ্তযুগৰ শিল্পকলাৰ প্ৰভাৱ পৰা দেখা পোৱা গৈছে।

প্ৰাচীন কামৰূপৰ উন্নত চিত্ৰকলাৰ বিষয়ে তৃতীয় বল বৰ্মনৰ তাম্ৰলিপি আৰু ভাস্কৰ বৰ্মনৰ নিধানপুৰৰ তামৰ ফলিৰ পৰা নিশ্চিত কৰিব পাৰি। কিন্তু বেছিভাগ চিত্ৰই সময়ৰ সোঁতত হেৰাই গ'ল।

## সাহিত্য, ভাষা আৰু শিক্ষা

প্ৰাচীন কামৰূপত সকলোবোৰ শিলালিপি বা তামৰ ফলি সংস্কৃত ভাষাত লিখা হৈছিল। এঘাৰ শতিকাত ৰচিত কালিকা পুৰাণো সংস্কৃত ভাষাতেই লিখা হৈছিল। প্ৰকৃততে ১২ শতিকাৰ আগলৈকে বহুতো সংস্কৃত সাহিত্যৰ সৃষ্টি হৈছিল।

সপ্তম শতিকাত কামৰূপ পৰিভ্ৰমণ কৰা চীনা পৰিব্ৰাজক হিউৱেনচাঙে লিখি গৈছে যে কামৰূপৰ কথিত ভাষা ভাৰতৰ আন ভাষাতকৈ বেলেগ। সম্ভৱতঃ এই ভাষাৰ মৈথিলী ভাষাৰ সৈতে ওচৰ সম্বন্ধ আছে আৰু ই প্ৰাকৃত ভাষাৰ এটা অংশৰ পৰা ওলাইছে। নৱম আৰু দশম শতিকাত বৌদ্ধ দোহাসমূহ জনপ্ৰিয় আছিল। খ্ৰীষ্টীয় সপ্তম শতিকা বা তাতোকৈ কিছু আগতে অসমীয়া ভাষাই স্বাধীনভাৱে এক নিৰ্দিষ্ট গঢ় লয়।

## লিখন সামগ্ৰী

লিখিবৰ কাৰণে সাধাৰণতে অগৰু বা সাঁচি গছৰ বাকলি, তামৰ ফলি, শিল পতা, সাঁচি গছৰ পাত, আন আন গছৰ পাত, কাঠৰ ফলি ইত্যাদি ব্যৱহাৰ কৰিছিল। চিয়াহী তৈয়াৰ কৰিবৰ কাৰণে ৰাসায়নিক সামগ্ৰী ব্যৱহাৰ কৰিছিল। চৰাইৰ পাখি, বাঁহ, নল-খাগৰি আদি কলম হিচাপে ব্যৱহাৰ কৰিছিল।

প্ৰাচীন কালত বহুতো শিক্ষিত ৰজাই কবিতা ৰচনা কৰিছিল। আনকি ৰাজপৰিয়ালৰ মহিলাসকলক নৈতিক শিক্ষা প্ৰদান কৰা হৈছিল। কিছুসংখ্যক শিক্ষিতা ব্ৰাহ্মণ মহিলাও দেখা গৈছিল।

প্ৰাচীন অসমৰ তন্ত্ৰশাস্ত্ৰবোৰৰ ভিতৰত শ্ৰেষ্ঠতম হৈছে যোগিনী তন্ত্ৰ আৰু তাৰ পিছতেই হৰগোৰী সংবাদ। কামৰূপী বৌদ্ধ পণ্ডিত মীননাথে কৌলজ্ঞান নিৰ্ণয় আৰু অকুলবীৰ চন্দ্ৰ নামৰ তান্ত্ৰিক গ্ৰন্থ ৰচনা কৰিছিল।

গৰখীয়া গীত, বিহুগীত, নাৱৰীয়া গীত, আইনাম, ধাইনাম, লোকগীত, ফকৰা-যোজনা, সাঁথৰ আদি বিভিন্ন প্ৰকাৰৰ গীত-পদ, লোকনৃত্য অসমীয়া সমাজত বৰ জনপ্ৰিয় আৰু এইবিলাকৰ ভিতৰত বেছি ভাগেই পুৰণি কামৰূপী ভাষাত ৰচিত হৈছিল।

শিক্ষাৰ ক্ষেত্ৰত ব্ৰাহ্মণ শিক্ষাগুৰুসকলে স্থাপন কৰা **'গুৰুগৃহ'ৰ কথা** পোৱা যায়। **শিক্ষা বিশেষকৈ উচ্চ** শ্ৰেণীৰ মাজতে আবদ্ধ আছিল। অগ্ৰহাৰ গাঁওবিলাক আৰু সংস্কৃত টোলবিলাকে ছাত্ৰসকলক আকৰ্ষিত কৰিছিল।

DAILY ASSAM

পুৰণি পাঠ্যক্ৰম আৰু তোমাৰ উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ মাজত থকা পাৰ্থক্যসমূহ বাছি উলিওৱা আৰু মতামত দাঙি ধৰা।

বৈদিক সাহিত্যৰ বাহিৰে ধৰ্মশাস্ত্ৰ, দৰ্শন, আয়ুৰ্বেদ, ব্যাকৰণ, ধৰ্মবিদ্যা, কবিসকলৰ ধ্ৰুপদী সাহিত্য আৰু নাট্য সাহিত্য, জ্যোতিষবিদ্যা, গণিত শাস্ত্ৰ আদিও পাঠ্যক্ৰমত অন্তৰ্ভুক্ত আছিল।

**আলোচনা কৰা...**

প্ৰাচীন অসমত শিক্ষা কিয় বিশেষভাৱে উচ্চ শ্ৰেণীৰ মাজতে সীমাবদ্ধ আছিল?